**প্ৰেছ বাৰ্তা নং ঃ ২১৮/২০২২**

## বিশিষ্ট সাহিত্যিক তথা মুক্তিযোদ্ধা যতীন গোস্বামীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ৩ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশিষ্ট সাহিত্যিক তথা মুক্তিযোদ্ধা যতীন গোস্বামীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে।

এক শোক বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে স্বাধীনতা সংগ্ৰামত জড়িত হৈ দেশপ্ৰেমৰ অতুলনীয় নিদৰ্শন দেখুৱাই যোৱা যতীন গোস্বামীয়ে কেইবাখনো গ্ৰন্থ প্ৰণয়ন কৰি অসমীয়া সাহিত্যৰ ভঁৰালো চহকী কৰি থৈ গৈছে। মুখ্যমন্ত্ৰীয়ে লগতে মন্তব্য কৰে যে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি প্ৰয়াত গোস্বামীয়ে জাতীয় জীৱন তথা সাহিত্যৰ ক্ষেত্ৰখনলৈ যি অৱদান আগবঢ়াই গ'ল সেয়া স্মৰণীয় হৈ থাকিব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই বিশিষ্ট সাহিত্যিকগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**নিঃকুঃদাঃ**
**৩/০৮/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in